# Regional News Unit
# All India Radio, Guwahati
# 0000000000

Date : 29-08-2024 Time : 1845 Hrs

*Assamese Evening Bulletin*

0000000

১। অসম বিধানসভাত মুছলমান বিবাহ আৰু বিবাহ বিচ্ছেদ বাধ্যতামূলক পঞ্জীয়ন বিধেয়ক ২০২৪ গৃহীত। এই বিধেয়কৰ অধীনত কাজিৰ দ্বাৰা মুছলমান বিবাহ পঞ্জীয়ন নিষিদ্ধ ঘোষণা।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্যকালত অসমৰ লগতে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চল অভূতপূৰ্ব বিকাশৰ দিশে অগ্ৰসৰ হৈছে বুলি কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগানৰ প্ৰকাশ।

৩। ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ নিযুক্তি পৰীক্ষাৰ সম্ভাব্য তাৰিখ ঘোষণা।

*আৰু*

৪। মহান হকী খেলুৱৈ মেজৰ ধ্যানচন্দৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰজুৰি আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস পালন।

০০০০০০০

অসম বিধানসভাৰ শৰৎকালীন অধিৱেশনৰ আজি চতুৰ্থ দিনটোত মুছলমান বিবাহ আৰু বিবাহ বিচ্ছেদ বাধ্যতামূলক পঞ্জীয়ন বিধেয়ক ২০২৪ গৃহীত কৰা হয়। মন্ত্ৰী যোগেন মহনৰ দ্বাৰা উত্থাপিত বিধেয়কখন ধ্বনিভোটত গৃহীত হয়। এই বিধেয়কৰ অধীনত বাল্যবিবাহ অপৰাধ হিচাপে গণ্য কৰা হ'ব। ইয়াৰ লগতে এই বিধেয়কৰ জৰিয়তে কাজীয়ে ইছলামধৰ্মী বিয়াৰ পঞ্জীয়ন কৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। নতুন আইনমতে চৰকাৰী কাৰ্যালয়ত ইছলামধৰ্মী লোকসকলে বিবাহৰ পঞ্জীয়ন কৰিব পাৰিব। বিবাহৰ বাবে ছোৱালীৰ ১৮ বছৰ তথা ল'ৰাৰ ২১ বছৰ বয়সৰ সীমা উলংঘন কৰিব নোৱাৰিব। এই বিধেয়কখনে কিশোৰীক গৰ্ভধাৰণৰ বিৰুদ্ধে এক কঠোৰ প্ৰতিৰোধক হিচাপে কাম কৰাৰ লগতে ছোৱালীসকলৰ সামগ্ৰিক বিকাশ সুনিশ্চিত কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। ইয়াৰ লগতে বিধানসভাত আসাম লেণ্ড এণ্ড ৰেভিনিউ ৰেগুলেশ্বন বিধেয়ক গৃহীত হয়। এই বিধেয়কৰ জৰিয়তে ২৫০ বছৰ পুৰণি ঐতিহাসিক স্থান আৰু সত্ৰৰ ৫ কিলোমিটাৰ ব্যাসাৰ্ধত মাটি বিক্ৰীৰ ক্ষেত্ৰত কঠোৰ নিয়ম প্ৰযোজ্য হ'ব। অৱশ্যে গৃহত হোৱা বিধেয়কৰ পৰা মাজুলী জিলা প্ৰত্যাহাৰ কৰা হৈছে। উল্লেখযোগ্য যে শৰৎকালীন অধিৱেশনৰ চতুৰ্থ দিনটোত বিধানসভাত আজি ১০ খন বিধেয়ক গৃহীত হয়। ইয়াৰ ভিতৰত - দি আছাম টেনেন্সি এমেণ্ডমেণ্ট বিল ২০২৪, দি আছাম ৰিপিলিং বিল ২০২৪, দি আছাম ভেটেৰীনেৰী এণ্ড ফিছাৰী ইউনিভাৰ্চিটী বিল ২০২৪, দি আছাম স্কিলছ ইউনিভাৰ্চিটী এমেণ্ডমেণ্ট বিল ২০২৪ আৰু দা মৰাণ অটোন'মাছ কাউন্সিল এমেণ্ডমেণ্ট বিল ২০২৪ আছে। ইয়াৰ লগতে দি আছাম আৰ্বান ৱাটাৰ ব'ডিজ (প্ৰিজাৰভেচন এণ্ড কনজাৰভেচন বিল ২০২৪) শীৰ্ষক বিধেয়কখনো বিবেচনাৰ বাবে আজি বিধানসভাত উত্থাপন কৰা হয়। ইপিনে বিধায়ক ৰমাকান্ত দেউৰীয়ে

সংখ্যালঘু এলেকাত হিন্দু ধৰ্মালম্বী শিক্ষয়িত্ৰীসকলৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ  বিধানসভাৰ অধ্যক্ষক আহ্বান জনায়। বিধায়ক দেউৰীয়ে কৰা এই আহ্বানক লৈ বিৰোধী বিধায়কসকলে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। যাৰ বাবে বিধানসভাৰ অধ্যক্ষই ১০ মিনিটৰ বাবে সদন স্থগিত ৰখাৰ সিদ্ধান্ত লয়।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্যকালত অসমৰ লগতে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চল অভূতপূৰ্ব বিকাশৰ দিশে অগ্ৰসৰ হৈছে বুলি কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ তথা সংসদীয় পৰিক্ৰমা ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগনে আজি গুৱাহাটীত প্ৰকাশ কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে গুৱাহাটীত উপস্থিত হোৱাৰ পাছত সাংবাদিকৰ আগত মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰীয়ে অঞ্চলটোৰ উন্নয়নত অগ্ৰাধিকাৰ দি আহিছে। আজি গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান বন্দৰত উপস্থিত হোৱাৰ পাছতেই তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ গুৱাহাটী কাৰ্যালয়ৰ কেইবাগৰাকী জ্যেষ্ঠ বিষয়াই তেওঁক আদৰণি জনায়। গুৱাহাটীৰ পৰা চিৰাঙলৈ গৈ মন্ত্ৰীগৰাকীয়ে জিলাখনৰ কাজলগাঁৱৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াৰে এখন বৈঠকত মিলিত হ'ব। ইয়াৰ পাছত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সাংসদ আৰু বিধায়কসকলৰ সৈতে আন এখন বৈঠকত মিলিত হ'ব। ড০ মুৰুগনে কাইলৈ চিৰাং জিলাৰ অংগনৱাড়ী কেন্দ্ৰ, বিদ্যালয় পৰিদৰ্শন কৰাৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ  হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰিব। মন্ত্ৰীগৰাকীয়ে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ গুৱাহাটীত থকা কেইবাগৰাকীও জ্যেষ্ঠ বিষয়াৰ সৈতে বৈঠকত মিলিত হোৱাৰ কথা আছে। তেওঁ লগতে হিন্দুস্তান পেট্ৰ'লিয়াম ক'ৰ্পৰেচন লিমিটেডৰ তৈল ভাণ্ডাৰ প্ৰকল্প পৰিদৰ্শন কৰি বিয়লি চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ গেলেফুলৈ ৰাওনা হ'ব।

০০০০০০০০০

ৰাজ্যৰ দুনীতি নিবাৰক শাখাই দুনীতিগ্ৰস্ত বিষয়া কৰ্মচাৰীৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। তদাৰকী আৰু দুনীতি নিবাৰক শাখাই আজি তিনিচুকীয়া জিলাৰ ডুমডুমা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ লাটমণ্ডল যোখেশ্বৰ মৰাণক উৎকোচ লোৱাৰ অভিযোগত হাতে লোটে ধৰা পেলায়। ধৃত কৰ্মচাৰীজনে এগৰাকী মহিলাৰ পৰা ৪০ হাজাৰ টকা উৎকোচ হিচাপে বিচৰাৰ অভিযোগ উত্থাপন হৈছিল।  ইয়াৰে ১৫ হাজাৰ টকা সংগ্ৰহ কৰাৰ সময়তে পূৰ্বে খাপ পিটি থকা অভিযানকাৰী দলে কৰ্মচাৰীজনক কৰায়ত্ব কৰে।

০০০০০

ৰাজ্যৰ অন্যান্য জিলাৰ লগতে ডিব্ৰুগড় জিলাতো ১ ছেপ্তেম্বৰৰ পৰা ১০ ছেপ্তেম্বৰলৈ অন্ন সেৱা দিন সফলতাৰে ৰূপায়ণৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। আজি জিলাখনৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে জিলাখনৰ বিভিন্ন সমবায় সমিতি পৰিদৰ্শন কৰে। দলটোৱে অহা ৩১ আগষ্টৰ ভিতৰত জিলাখনৰ এহেজাৰ ৫৮৬ গৰাকী সুলভ মুল্যৰ এজেণ্টৰ গুডামত ছেপ্তেম্বৰ মাহৰ বাবে আবণ্টিত চাউল মজুত ৰখাটো নিশ্চিত কৰে। বিভাগে লগতে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩ৰ অধীনত সকলো হিতাধিকাৰীক অহা ১ ছেপ্তেম্বৰৰ পৰা সমীপৱৰ্তী সুলভ মূল্যৰ এজেণ্টৰ পৰা চাউল সংগ্ৰহ কৰিবলৈ আহ্বান জনায়। আনহাতে, এজেণ্টসকলক চাউলসমূহ ই পি অ' এছ মেচিনযোগে বিতৰণ কৰি সংশ্লিষ্ট পোৰ্টেলত তথ্য আপলোড কৰিবলৈ পৰামৰ্শ দিয়া হৈছে।

০০০০০০০

অসম আৰক্ষীয়ে ৰাজ্যৰ বিভিন্ন প্ৰান্তত অভিযান চলাই বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰাৰ লগতে কেইবাজনো লোকক এই সংক্ৰান্তত আটক কৰিছে। আজি নলবাৰী জিলাৰ চামতাত বেলশৰ আৰক্ষীয়ে অভিযান চলাই মাদক দ্ৰব্য জব্দ কৰাৰ লগতে পাঁচজন যুৱকক আটক কৰে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে ধৃত লোককেইজনৰ পৰা বুজন পৰিমাণৰ মাদক দ্ৰব্য আৰু অন্যান্য আপত্তিজনক সামগ্ৰী জব্দ কৰা হৈছে।

ইপিনে, ধুবুৰী জিলাৰ অসম বাংলাদেশ সীমান্তত মাদক দ্ৰব্য সহ এজন লোকক আৰক্ষীয়ে আটক কৰে। লোকজনৰ জিম্মাৰ পৰা ১৪ গ্ৰামৰো অধিক ব্ৰাউন ছুগাৰ জব্দ কৰা হয়। যোৱা নিশা গোলকগঞ্জ আৰু ছোটগুমা আৰক্ষীয়ে কৈমাৰী তৃতীয় খণ্ড গাঁৱত চলোৱা অভিযানত এই মাদক দ্ৰব্যসমূহ জব্দ কৰা হয়।

আনহাতে, কামৰূপ জিলাৰ হাজোৰ দামপুৰৰ মাজৰ চুবাত আজি আৰক্ষীয়ে পুৱতি নিশা চলোৱা অভিযানত বৃহৎ পৰিমাণৰ নিচাজাতীয় দ্ৰব্য আৰু নগদ ধনসহ এজন সৰবৰাহকাৰীক আটক কৰে। একেদৰে দক্ষিণ শালমৰা মানকাচৰ জিলাৰ পিপুলবাৰীত আৰক্ষীয়ে চলোৱা অভিযানত ৪৮ গ্ৰামৰো অধিক ব্ৰাউন ছুগাৰ জব্দ কৰাৰ লগতে এজন লোকক আটক কৰিছে। আৰক্ষীয়ে আটকাধীন আটাইকেজন লোককে জেৰা অব্যাহত ৰাখিছে।

০০০০০

ৰাজ্যখনৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত আজি গোলাঘাট জিলাৰ বোকাখাত মহকুমা প্ৰশাসনৰ সৈতে সাংবাদিকসকলৰ এখন বৈঠক অনুষ্ঠিত হয়। মহকুমাটোত আইন-শৃংখলা আৰু শান্তি বৰ্তাই ৰখাৰ বাবে প্ৰশাসনে গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে এই বৈঠকৰ আয়োজন কৰা হয়। বৈঠকত অতিৰিক্ত জিলা আয়ুক্তই সমাজত শান্তি আৰু আইন-শৃংখলা বৰ্তাই ৰখাৰ বাবে সাংবাদিকসকলৰ সৈতে আলোচনা কৰে। তেওঁ সাংবাদিকসকলক সামাজিক মাধ্যমত ভুৱা বাতৰি প্ৰচাৰৰ পৰা বিৰত থাকিবলৈ আহ্বান জনায়। তদুপৰি কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি হ'ব পৰা তথ্য থাকিলে সেই বিষয়ে তৎকালীনভাৱে মহকুমা প্ৰশাসনক অৱগত কৰিবলৈ অতিৰিক্ত জিলা আয়ুক্তই সাংবাদিকসকলক আহ্বান জনায়।

০০০০০০০০০

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে পঞ্চম আঞ্চলিক গৱেষণা সন্মিলন অনুষ্ঠিত হৈছে। ডেৰাডুনৰ ভাৰতীয় বন গৱেষণা আৰু শিক্ষা পৰিষদৰ সঞ্চালক প্ৰধান কাঞ্চন দেৱীয়ে এই সন্মিলনৰ শুভাৰম্ভ কৰে। উত্তৰ পূৰ্বাঞ্চলৰ প্ৰায় কেইখন ৰাজ্যৰ ভালেকেইগৰাকী উচ্চ পদস্থ বিষয়াই সন্মিলনখনত অংশগ্ৰহণ কৰে। জ্যেষ্ঠ বিজ্ঞানী ড০ ৰাজীৱ কুমাৰ বৰাই প্ৰতিষ্ঠানৰ  গৱেষণা তথা উন্নয়ন সম্পৰ্কে বিশদভভাৱে ব্যাখা কৰে। ইয়াৰ লগতে প্ৰতিষ্ঠানখনে লোৱা কাৰ্যপন্থা সম্পৰ্কেও সন্মিলনখনত আলোচনা কৰা হয়।

০০০০০০০০০

অসম চৰকাৰৰ আৰোহণ আঁচনিৰ অধীনত আজি মৰিগাঁও জিলাৰ নৱম মান শ্ৰেণীত অধ্যয়নৰত মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে অন্তৰংগ আলাপ অনুষ্ঠানৰ আয়োজন কৰা হয়। জিলা প্ৰশাসনৰ উদ্যোগত আৰু সমগ্ৰ শিক্ষা

অভিযানৰ সহযোগত আয়োজিত অনুষ্ঠানত জিলাখনৰ আয়ুক্ত দেৱাশীষ শৰ্মাই অংশগ্ৰহণ কৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিযোগিতামূলক মানসিকতাৰে অধ্যয়ন কৰি যাবলৈ আহ্বান জনায়। অনুষ্ঠানত বিদ্যালয়সমূহৰ অধ্যক্ষ আৰু সমল ব্যক্তিসকলে অংশগ্ৰহণ কৰে।

00000

জৱাহৰ নবোদয় বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীত নামভৰ্তিৰ বাছনি পৰীক্ষাৰ বাবে পঞ্জীয়নৰ দিন ঘোষণা কৰা হৈছে। সেই অনুসৰি ইচ্ছুক প্ৰাৰ্থীসকলে ~~~.পসহকাসস্স.ন্থহ.ত্প ৱেবছাইটৰ জৰিয়তে নাম পঞ্জীয়ন কৰিব পাৰিব। ১৬ ছেপ্তেম্বৰ নাম পঞ্জীয়নৰ অন্তিম দিন ধাৰ্য কৰা হৈছে।

0000000

ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ নিযুক্তি পৰীক্ষাৰ সাম্ভাব্য তাৰিখ ঘোষণা কৰিছে। উচ্চতৰ মাধ্যমিক স্তৰৰ তৃতীয় বৰ্গৰ পদৰ বাবে অহা ১৫ চেপ্তেম্বৰত লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। আয়োগৰ জাননী অনুসৰি স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ পৰীক্ষাসমূহ ২৯ চেপ্তেম্বৰৰ পুৱা ৯ বজাৰ পৰা ১২ বজালৈ আৰু মেট্ৰিক পৰ্যায়ৰ চালক পদৰ বাবে পৰীক্ষা সেইদিনা  দুপৰীয়া ১ বাজি ৩০ মিনিটৰ পৰা বিয়লি ৪ বাজি ৩০ মিনিটলৈ অনুষ্ঠিত হ'ব। একেদৰে আই টি আই উত্তীৰ্ণসকলে ধৰি মেট্ৰিক পৰ্যায়ৰ চতুৰ্থ বৰ্গৰ সম্ভাব্য পৰীক্ষা ২৭ অক্টোবৰৰ পুৱা ৯ বজাৰ পৰা অনুষ্ঠিত হ'ব। আনহাতে, অষ্টম শ্ৰেণী পৰ্যায়ৰ পদসমূহৰ পৰীক্ষা অহা ২৭ অক্টোবৰত দুপৰীয়া ডেৰ বজাৰ পৰা অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে তৃতীয় বৰ্গৰ পদৰ বাবে প্ৰায় ১৮ লাখ ৫০ হাজাৰ প্ৰাৰ্থীয়ে আবেদন কৰিছে। চতুৰ্থ বৰ্গৰ পদৰ বাবে মুঠ আবেদনকাৰী প্ৰাৰ্থীৰ সংখ্যা হৈছে ১৩ লাখ ৭০ হাজাৰ। প্ৰকাশিত জাননী অনুসৰি পৰীক্ষাৰ্থীসকলে পৰীক্ষা কেন্দ্ৰলৈ কিতাপ, কাগজ, মোবাইল ফোন, বৈদুতিক সামগ্ৰী লৈ যাব নোৱাৰিব। পৰীক্ষা কেন্দ্ৰত পৰীক্ষাৰ্থীসকলে এডমিট কাৰ্ড, কলম, পৰিচয় পত্ৰহে নিব পাৰিব। পৰীক্ষাৰ বিধি ব্যৱস্থা উলংঘা কৰিলে আইনগতভাৱে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জাননীত উল্লেখ কৰা হৈছে।

00000

বৃহত্তৰ গুৱাহাটী দুগ্ধ ব্যৱসায়ী সংস্থাই অহা ১ চেপ্তেম্বৰৰ পৰা গাখীৰৰ দাম ৩ টকাকৈ বৃদ্ধি কৰা হব বুলি আজি এখন সংবাদমেলযোগে প্ৰকাশ কৰিছে। সংগঠনটোৱে জনোৱা অনুসৰি অহা ১ চেপ্তেম্বৰৰ পৰা প্ৰতিলিটাৰ গাখীৰৰ পাইকাৰী দাম ৬৪ টকা ৪০ পইচা আৰু খুচুৰা ৬৭ টকা হ'ব। উল্লেখযোগ্য যে বৃহত্তৰ গুৱাহাটী গোপালক সন্থাই খুটিত গাখীৰৰ দাম প্ৰতি লিটাৰত ২ দশমিক ৬০ পইচাকৈ বৃদ্ধি কৰিছে। যাৰ ফলত গাখীৰৰ পাইকাৰী আৰু খুচুৰা দাম বৃদ্ধিৰ সিদ্ধান্ত লোৱা হৈছে বুলি সংগঠনটোৱে জানিবলৈ দিছে।

00000000

আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস। মহান হকী খেলুৱৈ মেজৰ ধ্যানচন্দৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি এই দিৱস পালন কৰা হয়। ভাৰতীয় হকীৰ ইতিহাসত মেজৰ ধ্যানচন্দৰ ঐতিহ্যৰ প্ৰতি সন্মান আৰু শাৰিৰীক গতিবিধি তথা খেল-ধেমালিৰ আৱশ্যকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি প্ৰতি বছৰে ২৯ আগষ্টত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস পালন কৰা হয়। এই উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে চৰকাৰ ক্ৰীড়াৰ প্ৰতি সমৰ্থন আগবঢ়াবলৈ আৰু

যুৱক-যুৱতীসকলক খেল আৰু প্ৰতিভা প্ৰদৰ্শনৰ সুযোগ প্ৰদান কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ। ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰি শ্ৰীমোদীয়ে কয় যে আজিৰ দিনটোত সমগ্ৰ দেশে হকীৰ যাদুকৰ ৰূপে পৰিচিত মেজৰ ধ্যানচন্দলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। আজিৰ দিনটোত সকলো ক্ৰীড়াপ্ৰেমী আৰু দেশৰ হকে খেলা প্ৰতিগৰাকী খেলুৱৈৰ শলাগ লোৱাৰ দিন। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মান্দাভিয়াই ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে আজি পুৱা নতুন দিল্লীৰ মেজৰ ধ্যানচন্দ ষ্টেডিয়ামত হকীৰ যাদুকৰগৰাকীলৈ পুষ্পাৰ্ঘ্য নিবেদন কৰে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত ড০ মান্দাভিয়াই কয় যে দেশৰ প্ৰতিগৰাকী নাগৰিক সুস্থ আৰু সবল হৈ থকা উচিত। তেওঁ কয় যে সুস্থ নাগৰিকেহে এখন সুস্থ সমাজ গঢ়ে আৰু এখন সুস্থ সমাজেহে সুস্থ দেশ গঢ়াত সহায় কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰতিগৰাকী নাগৰিকে তেওঁলোকৰ ব্যস্ত জীৱনৰ পৰা কমেও এঘণ্টা খেল-ধেমালিৰ নামত উচৰ্গা কৰিবলৈ আহ্বান জনায়। ভাৰতবৰ্ষক এখন সুস্থ, সবল ৰাষ্ট্ৰৰূপে গঢ়ি তোলাটো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সপোন বুলি উল্লেখ কৰি ড০ মান্দাভিয়াই নাগৰিকসকলক আজি ৰাষ্ট্ৰজোৰা উদযাপনত অংশ ল'বলৈ আহ্বান জনায়। কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়েও আজি জন্ম বাৰ্ষিকী উপলক্ষে মেজৰ ধ্যানচন্দলৈ শ্ৰদ্ধা নিবেদন কৰে। তেওঁ লগতে দেশবাসীক ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰে।

oooooooo

ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ সৈতে সংগতি ৰাখি আজি তামুলপুৰ জিলা ক্ৰীড়া ভাৰতীৰ উদ্যোগত জিলাখনত খো-খো প্ৰতিযোগিতা অনুষ্ঠিত হয়। তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আজি এই দিৱস উপলক্ষে ১৬ বছৰ অনুৰ্দ্ধৰ ল'ৰাৰ মাজত এই প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত জিলাখনৰ ভিন্ন প্ৰান্তৰ পাঁচটা দলে অংশগ্ৰহণ কৰে।

ooooooo

ওদালগুৰিত জিলা আইন সেৱা প্ৰাধীকৰণৰ উদ্যোগত আৰু স্বেচ্ছাসেৱী সংগঠনৰ সহযোগত শিশু অধিকাৰ সন্দৰ্ভত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত যৌন অপৰাধৰ পৰা শিশুসকলক সুৰক্ষা প্ৰদান কৰাৰ লগতে আইনী সাহায্য প্ৰদান সম্পৰ্কত আলোচনা কৰা হয়। জিলা আইন সেৱা প্ৰাধীকৰণৰ সচিব সবিতা ভৰদ্বাজে শিশুসকলৰ সৈতে জড়িত বিভিন্ন আইনৰ বিষয়ে বক্তব্য প্ৰদান কৰে। শিশুসকলৰ সৈতে জড়িত সংবেদনশীল ঘটনা নিৰীক্ষণ কৰাৰ সন্দৰ্ভত অভিভাৱক বা শিক্ষক-শিক্ষয়িত্ৰীৰ কৰণীয় সন্দৰ্ভতো সভাত আলোচনা কৰা হয়।

ooooo

লখিমপুৰ জিলা প্ৰশাসনৰ অধীনৰ মহিলা সৱলীকৰণ কেন্দ্ৰৰ উদ্যোগত আৰু মহিলা আৰু শিশু উন্নয়ন বিভাগৰ সহযোগত আজি উত্তৰ লখিমপুৰ নগৰ উচ্চ মাধ্যমিক বিদ্যালয়ত এটা কেৰিয়াৰ পৰামৰ্শদান কাৰ্যসূচী অনুষ্ঠিত হয়। সংকল্প, মহিলা সবলীকৰণ কেন্দ্ৰৰ ১০০-দিনীয়া বিশেষ অভিযানৰ অংশ হিচাপে আয়োজিত কাৰ্যসূচীত জিলা নিয়োগ বিনিময় কেন্দ্ৰৰ সহকাৰী নিয়োগ বিষয়া দৰথী গগৈয়ে কেৰিয়াৰ সম্পৰ্কে পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানত তিনি শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

oooooooo

ধেমাজি জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত ফটোযুক্ত ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনী ২০২৫ বিষয়ত বুথ পৰ্যায়ৰ বিষয়া, পৰ্যবেক্ষক তথা সহকাৰী নিৰ্বাচনী পঞ্জীয়ন বিষয়াসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। প্ৰশিক্ষণ কাৰ্যসূচীত জিলা আয়ুক্ত অংকুৰ ভৰালী, জিলা উন্নয়ন আয়ুক্ত বিশ্বজিৎ ফুকনৰ লগতে নিৰবাচনী দায়িত্বত থকা কেইবাগৰাকীও বিষয়া-কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। জিলা আয়ুক্ত আৰু উন্নয়ন আয়ুক্তই ভোটদাতাৰ তালিকা সংশোধনী সন্দৰ্ভত বিভিন্ন পৰামৰ্শ প্ৰদান কৰে।

০০০০০০০০

ওদালগুৰি জিলাৰ ভেৰগাঁও মহকুমা প্ৰশাসনৰ উদ্যোগত ভেৰগাঁও মহকুমাধিপতি কাৰ্যালয়ত আজি ভূমি আৰু ৰাজহ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বিটিচিৰ কাৰ্যবাহী সদস্য দাওবিচা বড়োৰ উপস্থিতিত অনুষ্ঠিত বৈঠকত মহকুমাটোৰ হৰিশিঙা, খৈৰাবাৰী আৰু কলাইগাঁও ৰাজহ চক্ৰৰ লাটমণ্ডলসকলৰ লগতে ভূমি আৰু ৰাজহ বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। বৈঠকত অতিৰিক্ত জিলা আয়ুক্তৰ লগতে প্ৰশাসনৰ কেইবাগৰাকীও বিষয়া উপস্থিত থাকে।

০০০০০০০০

মাজুলী জিলা স্বাস্থ্য বিভাগৰ অধীনৰ কমলাবাৰী খণ্ড সপ্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ সহযোগত আজি মিছামৰা প্ৰাথমিক বিদ্যালয়ত বিশেষ স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। এই শিবিৰত চকু ৰোগ, দাঁতৰ ৰোগ, সাধাৰণ স্বাস্থ্য, স্ত্ৰী ৰোগ আদিৰ চিকিৎসা কৰা হয়। কেইবাগৰাকীও বিশেষজ্ঞ চিকিৎসক উপস্থিত থকা এই শিবিৰৰ আৰম্ভণিতেই ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যক্ৰমৰ অধীনত বিদ্যালয়খনৰ ২৩ গৰাকী ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। ইয়াৰ পাছতেই মিছামৰা আৰু কাষৰীয়া অঞ্চলৰ ১০২গৰাকী ৰোগীৰ স্বাস্থ্য পৰীক্ষা কৰি চিকিৎসকে দিহা-পৰামৰ্শ প্ৰদান কৰে। শিবিৰত যক্ষ্মা, মেলেৰিয়া আদি ৰোগ চিনাক্তকৰণৰ পৰীক্ষা কৰা হয়।

০০০০০০০০

ডিব্ৰুগড় জিলাৰ মৰাণ কৃষি চক্ৰৰ পথালি গাঁও পঞ্চায়তৰ ১ নম্বৰ হলৌগুৰি গাঁৱৰ প্ৰগতিশীল কৃষক জয়দীপ মালিমিহিৰে চৰকাৰক প্ৰায় ২০০ কুইণ্টল ধান বিক্ৰী কৰিবলৈ সমৰ্থ হৈছে। প্ৰায় ৫০ বিঘা ভূমিত জিলা কৃষি বিভাগৰ পৰা বিতৰণ কৰা ধানৰ বীজেৰে খেতি কৰি কৃষকগৰাকীয়ে এই সফলতা লাভ কৰে। ধানখেতিৰ উপৰি তেওঁ প্ৰায় ৫ বিঘা ভূমি অন্যান্য শাক-পাচলিৰ খেতি কৰিও লাভান্বিত হৈছে। তদুপৰি কেচু সাৰ উৎপাদন আৰু প্ৰয়োগ কৰাৰ লগতে কুকুৰা পালন কৰিও কৃষকগৰাকী স্বাৱলম্বী হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০০০

সমাপ্ত